**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাজ্যখনৰ বিনিয়োগ আন্তঃগাথনি শক্তিশালী কৰাৰ লক্ষ্যৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি বুজ লোৱাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিশপুৰত এখন বৈঠক অনুষ্ঠিত হয়। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী শীৰ্ষক ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ প্ৰস্তুতিও আজিৰ বৈঠকত পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই দুয়োটা অনুষ্ঠান সুকলমে সম্পন্ন কৰাৰ বাবে সকলো দিশ চালি জাৰি চোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত অশোক সিংহল, পিযুষ হাজৰিকাকে ধৰি কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে। উল্লেখযোগ্য যে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ২৪ ফেব্ৰুৱাৰীত অসমত উপস্থিত হ'ব। তেওঁ ঝুমুৰ নৃত্য অনুষ্ঠানটি উপভোগ কৰাৰ লগতে ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰীক কৰা সাক্ষাৎৰ পাছত এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাছাৰ জিলাৰ কেইবাখনো বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিলচৰত তেওঁ ৰাধা মাধৱ মহাবিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ডঃ পেগুক মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে নিজে প্ৰস্তুত কৰা থলুৱা অসমীয়া আৰু মণিপুৰী গামোচাৰে সম্বৰ্ধনা জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলৰ দক্ষতাৰ শলাগ লয়। তেওঁ লগতে নিয়োগ সৃষ্টিত সহায়ক হোৱাকৈ শিক্ষাৰ সমান্তৰালভাৱে দক্ষতাৰ বিকাশত গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে তেওঁ শিলচৰ পলিটেক্‌নিক প্ৰতিষ্ঠান পৰিদৰ্শন কৰি প্ৰতিষ্ঠানখনৰ আন্তঃগাঁথনি আৰু শৈক্ষিক দিশৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰতিষ্ঠানখনত প্ৰায় ১০ কোটি টকা ব্যয়েৰে নিৰ্মাণৰত উৎকৃষ্টতা কেন্দ্ৰটোও পৰিদৰ্শন কৰে। ড° পেগুৱে আজি কাছাৰ জিলাৰ শালচাপ্ৰা খণ্ডৰ অন্তৰ্গত অতি ভিতৰুৱা ৰোজকান্দি চাহবাগিচা পৰিদৰ্শন কৰি চাহবাগানৰ ইদ্ৰিছ আলী আনছাৰি মধ্য ইংৰাজী বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। শিক্ষামন্ত্ৰীগৰাকীয়ে অঞ্চলটোত এখনো উচ্চ মাধ্যমিক বিদ্যালয় নথকাৰ বাবে অঞ্চলবাসীয়ে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এমাহৰ ভিতৰত মধ্য ইংৰাজী বিদ্যালয়খন উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলি জনসাধাৰণক আশ্বাস দিয়ে। পুৱাৰ ভাগত তেওঁ শিলচৰৰ নৰচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে প্ৰাৰ্থনা সভাত অংশ লয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এই বিদ্যালয়খনত নতুন ভৱন নিৰ্মাণৰ বাবে ইতিমধ্যে ৭ কোটি ৫০ লাখ টকাৰ অনুমোদন জনাইছে। ডাঃ পেগুৱে আজি এই নতুন ভৱন নিৰ্মাণ হ'বলগীয়া স্থানৰ সবিশেষ বুজ লয়। ইয়াৰ পাছত তেওঁ নৰকুমাৰ মধ্য ইংৰাজী বিদ্যালয়, মনমোহন মজুমদাৰ বালিকা বিদ্যা নিকেতনৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়। শিক্ষামন্ত্ৰীগৰাকীক এই ভ্ৰমণৰ

সময়ছোৱাত শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তী, উধাৰবন্দৰ বিধায়ক মিহিৰকান্তি সোম আৰু উত্তৰ শ্ৰীভূমিৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থই সংগ দিয়ে।

০০০০

বজালী জিলাৰ সৰুপেটাত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় ৰাষ্ট্ৰীয় নাট সমাৰোহৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই নাট সমাৰোহত অসমীয়া, হিন্দী আৰু বাংলা ভাষাৰ ৫ খনকৈ নাটক মঞ্চস্থ হ'ব। সমাৰোহত নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ নাট 'শংকৰ গুৰু আমাৰে', মৃণ্ময় ভূঞাৰ 'দ্ৰোণাচাৰ্য শ্ৰী গুৰুৱে নমঃ', অৰ্ঘ দে'ৰ বাংলা ভাষাত ৰচিত নাট 'যত্নে ৰেখো', হবিব তনবিৰৰ 'চৰণ দাস চোৰ' আৰু সুধাংশু ফিৰদোছৰ হিন্দী ভাষাত ৰচিত 'কথা নাট' মঞ্চস্থ কৰা হ'ব।

০০০০

স্বচ্ছ শক্তিৰে জনসাধাৰণৰ বিদ্যুতৰ চাহিদা পূৰণ কৰাৰ অৰ্থে চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ যোজনাৰ অধীনত ৰাজ্যৰ ৬ হাজাৰ ৫০০টা পৰিয়ালে নিজৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি বিদ্যুৎ সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই সৌৰ পেনেলৰ জৰিয়তে ২৪ মেগাৱাটতকৈ অধিক শক্তি উৎপাদন কৰিব পৰা যায়। ইয়াৰ ফলত জনসাধাৰণে ৰাহি হোৱা বিদ্যুৎ সঞ্চয়ো সম্ভৱ হৈ উঠিছে বুলি ড° শৰ্মাই প্ৰকাশ কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত শনিবাৰে নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০

প্ৰাক্তন সৈনিক কল্যাণ বিভাগৰ অন্তৰ্গত পুনৰসংস্থাপন সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ নাৰেঙ্গী সামৰিক কেন্দ্ৰৰ ব্ৰহ্মপুত্ৰ প্ৰেক্ষাগৃহত কাইলৈ নিয়োগ মেলাৰ আয়োজন কৰা হৈছে। এই নিয়োগ মেলাত দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, পুনৰসংস্থাপন সঞ্চালক, মেজৰ জেনেৰেল এছ বি কে সিঙকে ধৰি কেইবাগৰাকী মেজৰ আৰু ব্ৰিগেডিয়াৰ উপস্থিত থাকিব। এই নিয়োগ মেলাত ৩৫টাতকৈ অধিক কৰ্পৰেট সংস্থাই নিয়োগ প্ৰদানকাৰী হিচাপে যোগদান কৰিব। মেলাত ৫০০ৰো অধিক প্ৰাক্তন সৈনিকে নিয়োগ বিচাৰি অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০

গ্ৰামাঞ্চলৰ প্ৰতিভাৱান খেলুৱৈসকলক এখন উপযুক্ত মঞ্চ দিয়াৰ বাবে ৰাজ্য চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ খেল বিভিন্ন জিলাত চলি আছে। বাক্সা জিলাত আজি এই কাৰ্যসূচীৰ অধীনত চূড়ান্ত খেলসমূহ অনুষ্ঠিত হয়। জিলাখনৰ মানাহ আৰু বাক্সা বিধানসভা সমষ্টিৰ খেলুৱৈসকলৰ মাজত প্ৰথমে ৬ টা শিতানত খেলসমসূহ খেলোৱাৰ পাছত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০

সমাপ্ত